# আপোনাৰ বীমা কোম্পানীয়ে আপোনাৰ কথা শুনিছেনে?



**যদি আপোনাৰ বীমা কোম্পানীয়ে আপোনাৰ অভিযোগৰ মীমাংসা কৰা নাই, তেন্তে অনুগ্ৰহ কৰি সম্পৰ্ক কৰক**

**আইআৰডিএ গ্ৰীভেঞ্চ কল চেন্টাৰ**

**ট’ল ফ্ৰী নং. : 155255**

আপোনাৰ অভিযোগ পঞ্জীয়ন কৰিবলৈ তথা ইয়াৰ স্থিতিৰ বিষয়ে জানিবলৈ বা-নালাগে আপুনি complaints@irda.gov.in ত ইমেইল কৰিব পাৰে।


জনহিতাৰ্থে প্ৰচাৰিত

বীমা নিয়ামক আৰু উন্নয়ন প্ৰাধিকাৰী

INSURANCE REGULATORY AND DEVELOPMENT AUTHORITY

*বীমা বৰ্দ্ধন, বীমা গ্ৰাহক সুৰক্ষা*

www.irda.gov.in



বীমা নিয়ামক আৰু উন্নয়ন প্ৰাধিকাৰী

INSURANCE REGULATORY AND DEVELOPMENT AUTHORITY

Bima Bemisaal




# সম্পত্তিৰ ওপৰত হাতপুথি

**সন্নিবিষ্ট বিষয়বস্তু :**


| | | |
|---|---|---|
| 1. | এই হাতপুথিৰ বিষয়ে | 1 |
| 2. | সম্পত্তি বীমা | 2 |
| 3. | সঘনাই সোধা প্ৰশ্ন | 9 |
| 4. | পলিচি ধাৰকক সেৱা দিয়াৰ TATS | 18 |
| 5. | যদি আপোনাৰ কোনো অভিযোগ আছে | 19 |


## 1. এই হস্তপুস্তিকাৰ বিষয়ে

এই হস্তপুস্তিকাক বীমা নিয়ামক আৰু উন্নয়ন প্ৰাধিকাৰী (আইআৰডিএ) ৰ দ্বাৰা **সম্পত্তি বীমাৰ** ওপৰত এক মাৰ্গদৰ্শকৰ ৰূপ দিয়া হৈছে আৰু ই কেৱল সাধাৰণ তথ্য দিয়ে। ইয়াত দিয়া যি কোনো তথ্যই এটা বীমা পলিচিৰ নিয়ম আৰু চৰ্ত বদলি কৰিব বা চেৰাই যাব নোৱাৰে।

পলিচিৰ বিষয়ে বিশেষ তথ্যৰ বাবে তথা কোনো অতিৰিক্ত জাননীৰ বাবে অনুগ্ৰহ কৰি কোনো অনুজ্ঞাপত্ৰ পোৱা এজেন্ট বা ব্ৰোকাৰ বা আইআৰডিএ ৰ সৈতে পঞ্জীকৃত কোনো বীমা কোম্পানীৰ লগত যোগাযোগ কৰক।

## 2. সম্পত্তি বীমা

সম্পত্তিৰ অন্তৰ্গত বীমা ভৱন,মেছিনেৰী, ষ্টক্চ ইত্যাদি জুই আৰু সম্বন্ধীয় বিপদ তথা সিন্ধি দিয়া চোৰৰ বিপদ আশংকাৰ বিপৰীতে কৰা হয়। সমুদ্ৰ, বায়ু, ৰেলৱে’, আলি–পথ তথা কেৰিয়াৰৰ জড়িয়তে সামগ্ৰী পৰিবহনৰ মেৰিন কাৰ্গো বীমাৰ অধীনত বীমা কৰিব পৰা যায়। জাহাজৰ বহি:ভাগ আৰু নাওঁ মেৰিন হাল বীমাৰ অধীনত বীমা কৰিব পৰা যায়। ইয়াৰ বাহিৰেও বিমান আৰু হেলিকপ্তাৰৰ বীমা কৰিবৰ বাবে এভিএশ্যন ইঞ্চিওৰেন্স পলিচিৰ নিচিনা বিশেষ পলিচি সমূহ পোৱা যায়। এনে ধৰণৰ সম্পত্তি বীমা সাধাৰণ বীমাৰ এক ব্যাপক শ্ৰেণী আৰু আপোনাক যেনে ধৰণৰ কভাৰৰ প্ৰয়োজন হয় সেই কভাৰ আপোনাৰ সম্পত্তিৰ প্ৰকাৰৰ ওপৰত ভিত্তি কৰিহে কৰা হয়।

- **পেকেজবা আম্ব্ৰেলা পলিচিসমূহ**

  পেকেজ বা আম্ব্ৰেলা কভাৰ্চ হ’ল একক নথিপত্ৰৰ জড়িয়তে পাব পৰা বিভিন্ন কভাৰৰ মিশ্ৰণ। উদাহৰণৰ বাবে এটা পলিচিৰ অন্তৰ্গত হাউচ হোল্ডাৰ্চ পলিচি, শ্বপকিপাৰ্চ পলিচি, অফিচ পেকেজপলিচিত ভৱন, সামগ্ৰী সহিতে বিভিন্ন ভৌতিক সম্পত্তি কভাৰ কৰে। সম্পত্তি কভাৰ কৰাৰ বাহিৰেও এনেকুৱা পলিচিসমূহ কোনো ব্যক্তিগত দিশ বা দায়িত্বকো কভাৰ কৰে। সুনিশ্চিত কৰক যে আপুনি কভাৰৰ সম্পূৰ্ণ বিৱৰণ আৰু পলিচিত নিহিত বৰ্জন বুজিপায় যাৰ ওপৰত আপুনি বিচাৰ কৰি আছে। পেকেজবা আম্ব্ৰেলা কভাৰ্চত সকলো বিভাগৰ বাবে নিয়ম আৰু চৰ্ত সাধাৰণ হ’ব পাৰে আৰু লগতে পলিচিৰ বিশেষ ভাগৰ বাবে বিশেষ চৰ্তও হ’ব পাৰে।



- **অগ্নিবীমা**

  সকলোতকৈ লোকপ্ৰিয় সম্পত্তি বীমা হৈছে উচ্চমান বিশিষ্ট অগ্নিবীমা পলিচি। অগি বীমা পলিচিয়ে সম্পত্তিক অগি বা পলিচিৰ অধীনত সমাহিত অন্য বিপদৰ পৰা হ’ব লগীয়া কোনো অপ্ৰত্যাশিত লোকচান বা ক্ষতি / বিনষ্ট ৰ প্ৰতি সুৰক্ষা প্ৰদান কৰে৷ অগি বীমা পলিচিৰ অধীনত কভাৰ কৰিব পৰা সম্পত্তি ভিন্ন প্ৰকাৰৰ হয় –আৱাস কাৰ্য্যালয়, দোকান, চিকিৎসালয়, প্ৰাৰ্থনা স্থান ইত্যাদি আৰু তাত নিহিত উদ্যোগিক / উৎপাদনৰ বিপদ আশংকা যেনে মেছিনেৰী, প্লেন্ট, ইকুইপমেন্ট আৰু এক্সেচৰিচ, কেঁচা মাল ,প্ৰক্ৰিয়াত ব্যৱহৃত সামগ্ৰী আধাকৈ প্ৰস্তুত হোৱা মাল, পেকিংসামগ্ৰী, যি ফেক্টৰী গুদাম বা খোলাত থাকে তথা উপযোগিতা সমূহ ‘দ্যোগিক / উৎপাদনৰ বিপদ আশংকাৰ বাহিৰত সংৰক্ষণৰ বিপদ আশংকা যি উদ্যোগিক বিপদ আশংকাৰ পৰিসৰৰ বাহিৰত স্থিত , টেঙ্ক ফাৰ্ম / গেচৰ টেঙ্কি উদ্যোগিক বিপদ আশংকাৰ পৰিসৰৰ বাহিৰত স্থিত।

**ফায়াৰ (অগি) পলিচিয়ে কি কভাৰ কৰে :**

যদিও ইয়াক ‘ অগি বীমা ’ বুলি কোৱা হয় কিন্তু অগিৰ বিপদ আশংকাৰ বাহিৰেও ই বজ্ৰপাত পৰিলে, বিস্ফোৰণ, এয়াৰ ক্ৰাফ্‌ট হানি, দাঙ্গা–হাঙ্গামা, হৰতাল আৰু বিদ্বেষ পৰায়ণৰ

পৰা হোৱা লোকচান, ধুমুহা, ঘূৰ্ণী বতাহ, প্ৰচণ্ড বতাহ, বানপানী আৰু জল-প্লাৱন, আঘাতৰ পৰা হোৱা হানি, আৰু ভূমিস্খলন য'ত শিলাস্খলন, পানীৰ টেংকি, সঁজুলি আৰু পাইপ ফটা আৰু / বা পানী বৈ যোৱা, মিছাইল পৰীক্ষণ পৰিচালন, স্বয়ংক্ৰিয় স্প্ৰিংকলাৰ সংস্থাপনৰ পৰা দুৰ্ঘটনাবশত: হ'ব পৰা নিসৰণ, হাবিৰ জুই ইত্যাদি।

**অগি পলিচিত কি অন্তৰ্ভুক্ত নহয় :**

অগ্নিবীমা পলিচিত এটা নিৰ্দিষ্ট পৰিমাণৰ টকা কভাৰ নকৰে যাক আধিক্য (এক্সেচ) বুলি কোৱা হয়। যুদ্ধ তথা যুদ্ধসদৃশ কাৰ্য্যকলাপ, আণৱিক বিপদ, প্ৰদূষণ বা দূষিত, বৈদ্যুতিক / যান্ত্ৰিক বিজুতি, সিন্ধি দিয়া আৰু চুৰিৰ কাৰণে হোৱা হানি বা ক্ষতিক অন্তৰ্ভুক্ত কৰা নহয়। ভূমিকম্প, স্বাভাৱিকভাৱে জুই লগা যেনে কোনো বিপদক অতিৰিক্ত প্ৰিমিয়ামৰ আদায়ৰ ওপৰত কভাৰ কৰিব পৰা যায়।

অগি বীমা পলিচিসমূহ এবছৰৰ বাবে জাৰি কৰা হয় যদিও আৱাস (ডুৱেলিং) অন্তৰ্ভুক্ত নহয়, যাৰ বাবে পলিচি দীৰ্ঘকালৰ বাবে জাৰি কৰিব পৰা যায় (নূন্যতম তিনি বৰ্ষৰ অৱধিৰ সৈতে)

- **সিন্ধি দিয়া চুৰিৰ বীমা**

  সিন্ধি দিয়া চুৰিৰ বীমা পলিচি কোনো ব্যৱসায়িক উদ্যোগ বা ঘৰৰ বাবে প্ৰদান কৰিব পাৰি। পলিচি পৰিসৰত সন্নিবিষ্ট



সম্পত্তিৰ কভাৰ কৰা হয় য'ত অন্তৰ্ভুক্ত হয় ষ্টক্‌চ / বস্তু বা কোনো ন্যাসত নিহিত বস্তু সমূহ যদি বিশেষ ভাৱে কৰা হয়। ই তলাবন্ধ আলমাৰী বা তলাবন্ধ কাপবোৰ্ডত ৰখা কেশ্ বক্সত ৰখা ধন, মূল্যৱান বস্তুসমূহ, প্ৰতিভূতিকো কভাৰ কৰে। যদি আপুনি ইয়াৰ বাবে বিশেষ ভাৱে আৱেদন কৰে।

পৰিসৰত ৰখা সামগ্ৰীৰ বাবে কভাৰ প্ৰদান কৰাৰ বাহিৰে সিন্ধি দিয়া চুৰিৰ বীমা পলিচি চুৰিৰ সময়ত বা চুৰিৰ প্ৰয়াসত আপোনাৰ ঘৰ বা পৰিসৰৰ হোৱা ক্ষতি কভাৰ কৰে। পলিচি বীমা কৰা পৰিমাণৰ সীমাৰ অধীন। চুৰি / ঘৰ ভঙাৰ কাৰণে আপোনাৰ বীমা কৰা সম্পত্তিৰ হোৱা বাস্তৱিক হানি / ক্ষতিৰ বাবে আদায় দিয়ে। যদি বীমা কৰা পৰিমাণ পৰ্য্যাপ্ত নহয় তেতিয়া পলিচিয়ে কেৱল অনুপাতিক হানিৰ আদায় দিয়ে। গতিকে, আপুনি সুনিশ্চিত হোৱা উচিত যে আপোনাৰ কভাৰ কৰা সম্পত্তিৰ প্ৰকৃত মূল্য যাতে আণ্ডাৰ ইঞ্চিওৰেন্স নহয়।

সিন্ধি দিয়া চুৰি বীমা পলিচি সাধাৰণতে দাঙ্গা-হাঙ্গামা, হৰতাল, বিদ্বেষ পৰায়ণৰ পৰা হোৱা ক্ষতি আৰু চুৰিৰ বাবে বিস্তাৰিত কৰিব পৰা যায়।

**সিন্ধি দিয়া চুৰি বীমা পলিচিত কি অন্তৰ্ভুক্ত নহয় :**

সাধাৰণতে, পলিচি ট্ৰাষ্ট / কমিছনত ৰখা বস্তুৰ হানি / লোকচানৰ বাবে আদায় নিদিয়ে যেতিয়ালৈকে বিশেষ ভাৱে কভাৰ কৰা নহয়, অলঙ্কাৰ, বিলক্ষণ, টাইটেল ডীড্‌চ,

ব্যৱসায়িক পুথি যেতিয়ালৈকে বিশেষ ভাৱে বীমা কৰা নহয় কোনো পৰিমাণ যি জুই / প্লে’ট গ্লাছ বীমা পলিচিৰ অধীনত পাবৰ যোগ্য হয়, চাবি বা ডুপ্লিকেট চাবি প্ৰয়োগ কৰি নিৰাপদৰ পৰা হোৱা হানি যদিহে ই হিংসা বা ভয়ৰ পৰা হয় ৎ দোকানৰ বস্তু চুৰি আপোনাৰ পৰিয়ালৰ সদস্য বা কৰ্মচাৰীৰ দ্বাৰা হয়। যুদ্ধৰ পৰা বিনষ্ট দাঙ্গা-হাঙ্গামা আৰু হৰতাল (অতিৰিক্ত প্ৰিমিয়াম আদায় দিলে কভাৰ হয়), প্ৰাকৃতিক দুৰ্য্যোগ, আণৱিক বিনষ্ট।

- **সকলো ক্ষতিশংকা বীমা**

  সকলো ক্ষতিশংকা বীমা সাধাৰণতে অলঙ্কাৰ আৰু / বা পোৰ্টেব্‌ল উপকৰণৰ বাবে কভাৰ প্ৰদান কৰে। এই কভাৰ সাধাৰণতে বাচি দিয়া হয়। পলিচিৰ নক্সা কোম্পানীৰ পৰা কোম্পানীলৈ ভিন্ন হ’ব পাৰে। এইটো মন দিয়া গুৰুত্বপূৰ্ণ যে সকলো ক্ষতিশংকা পলিচি বৰ্জনৰ পৰা মুক্ত নহয়। সেইবাবে, ‘‘ সকলো ক্ষতিশংকা ’’ৰ এইটো অৰ্থ নহয় যে যি কোনো বস্তু আৰু প্ৰত্যেক বস্তু কভাৰ কৰা হয়।

**সমস্ত ক্ষতিশংকা বীমাত সাধাৰণতে কি অন্তৰ্ভুক্ত নহয় :**

বৰ্জন চাই লওক -সাধাৰণতে কাপোৰ খোৱা পোক, অপজীৱ, ভেঁকুৰ, ঘৰ্ষণ, আৰু ভঙা বা মেৰামতি, ডায়িংবা ব্লীচিংৰ বাবে বা লাহে লাহে কাম কৰে কাৰণ ঠুনুকা বস্তু ভঙা / দাগ লগা বা ফটা যদিও সেইবোৰ পৰিবহন মাধ্যমৰ দুৰ্ঘটনাৰ বাবে নহয়, আৰু কোনো যান্ত্ৰিক বা বৈদ্যুতিক বিজুতি / ব্যাঘাত য’ত দুৰ্ঘটনাবশত: বাহ্যিক কাৰণ অন্তৰ্ভুক্ত নহয়,



অধিক ৱাইণ্ডিং, ডেটিংবা ঘড়ীৰ অন্তৰ্গত ক্ষতি, গাড়ীৰ পৰা চুৰি সম্পূৰ্ণ বন্ধ চেলুন বাদ দি। পৰিণামস্বৰূপে, হানি, কোনো বৈধ দায়িত্ব, যুদ্ধৰ ক্ষতিশংকা, আণৱিক বিপদ, কোনো চৰকাৰী / স্থানীয় প্ৰাধিকৰণৰ কাৰ্য্য আৰু বীমাকৃত ব্যক্তিৰ কাৰ্য্যৰ বাবে হানি য’ৰ পৰা বৃদ্ধি হোৱা ক্ষতিশংকা পলিচিৰ সীমাত অন্তৰ্ভুক্ত কৰা নাই।

অতিৰিক্ত প্ৰিমিয়ামৰ আদায়ৰ ওপৰত যান্ত্ৰিক আৰু বা বৈদ্যুতিক / ইলেক্ট্ৰনিক ব্যাঘাতৰ বাবে প্ৰসাৰণ প্ৰদান কৰিব পৰা যায়।

**মেৰিন কাৰ্গো বীমা**

মেৰিন কাৰ্গো বীমা জল, বায়ু, আলি-পথ বা ৰেল, পঞ্জীকৃত প’ষ্ট পাৰ্চেল, কুৰিয়াৰ বা ইয়াৰ পৰা দুই বা অধিকৰ মিলনৰ দ্বাৰা পৰিবহন কভাৰ কৰে।

**মেৰিন কাৰ্গো ইঞ্চিওৰেন্স পলিচি কোনে ল’ব পাৰে :**

ক্ৰেতা, বিক্ৰেতা, আমদানি / ৰপ্তানি বণিক, বায়িংএজেণ্ট্চ, ঠিকাদাৰ আৰু বেঙ্ক ইত্যাদি।

মেৰিন কাৰ্গো পলিচিসমূহ কাৰ্গোত হিতজনক কভাৰ কৰে আৰু কোনো তৃতীয় পক্ষৰ বাবে হিতজনক কভাৰ দিয়ে যি বিক্ৰীৰ চৰ্তৰ দ্বাৰা নিৰ্ধাৰণ অনুসৰি স্থায়িত্ব হস্তান্তৰত আগ্ৰহ লাভ কৰিছে।

**মেৰিন কাৰ্গো বীমাই কেনেকৈ সহায় কৰে :**

কাৰ্গো বিভিন্ন প্ৰকাৰৰ ক্ষতিশংকাৰ সম্পৰ্কলৈ অহাত ক্ষতিগ্ৰস্ত হ'ব পাৰে য'ত অন্তৰ্ভুক্ত হয় কাৰ্গোত বহন কৰা বাহনৰ দুৰ্ঘটনা, ধাক্কা লগা, আঘাত ইত্যাদিৰ কাৰণে লোকচান। স্থিৰ কৰক যে আপুনি মূল কভাৰ ল'বলৈ বিচাৰে নে ব্যাপক কভাৰ। পলিচিৰ নিয়ম আৰু চৰ্ত পঢ়ক তথা বুজক। পৰীক্ষা কৰি লওক যাতে ইয়াত কোনো ''কৰ্ত্তনো'' থাকে।

**মেৰিন কাৰ্গো বীমা পলিচিত সাধাৰণতে কি অন্তৰ্ভুক্ত নহয় :**

সহজাত দোষৰ বাবে হানি বা ক্ষতি, বিলম্ব, অপৰ্য্যাপ্ত পেকিং, আৰ্থিক দোষৰ কাৰণে লোকচান বা ক্ষতি বা জাহাজমালিকৰ দেউলীয়া অৱস্থা ইত্যাদি।

**অন্য কি প্ৰকাৰৰ সম্পত্তি বীমা প্ৰাপ্ত ব্য?**

প্ৰাপ্ত ব্য কিছুমান অন্য সম্পত্তি বীমা হৈছে অভিযান্ত্ৰিক বীমা পলিচিসমূহ যেনে ইলেক্ট্ৰনিক ইকুইপমেন্ট ইঞ্চিওৰেন্স (ইলেক্ট নিক সা-সৰঞ্জাম বীমা) মেছিনেৰী ব্ৰেকডাউন ইঞ্চিওৰেন্স (মেছিন বিজুতি বীমা) ইত্যাদি।



## 3. সম্পত্তি বীমাৰ ওপৰত সঘনাই সুধিবলগীয়া প্ৰশ্ন

**প্ৰ: সম্পত্তি বীমা পলিচি ক্ৰয় কৰিবলৈ কি কি আৱশ্যক হয়?**

উ: পলিচিৰ পৰা প্ৰস্তাৱকৰ বীমাৰ বাবে সৰ্বপ্ৰথমে আগ্ৰহ থকা উচিত, অৰ্থাৎ এনে মুঠ সা-সম্পত্তিৰ হানি বা লোকচান হোৱাত তাক আৰ্থিক ৰূপত লোকচান হোৱাৰ সম্ভাৱনা হোৱা উচিত। দ্বিতীয়তে, প্ৰস্তাৱকে প্ৰস্তাৱ প্ৰপত্ৰ জমা কৰা উচিত (যিটো বীমাকৰ্তাৰ ৱেবচাইট বা কাৰ্য্যালয়ৰ পৰা পাব পৰা যায়) প্ৰস্তাৱ প্ৰপত্ৰত সকলো বিৱৰণ থকা উচিত যি বীমাকৃত ব্যক্তিৰ শ্ৰেষ্ঠ জ্ঞান অনুসৰি সত্য হ'ব লাগে আৰু অন্য জাননী দিব লাগে যিটো প্ৰস্তাৱক অনুসৰি সুসংগত হ'ব।

**প্ৰ: সম্পত্তি বীমা পলিচিসমূহ কিকি ভিন্ন প্ৰকাৰৰ হয়?**

উ: ষ্টে ণ্ডাৰ্ড ফায়াৰ এণ্ড এলাইড পেৰিল্চ পলিচি সৰাতোকৈ লোকপ্ৰিয় যি সম্পত্তিক হ'ব লগীয়া অধিকাংশ ক্ষতিশংকা কভাৰ কৰে যেনে অগি, দাঙ্গা-হাঙ্গামা, বানপানী আৰু ধুমুহা, সিন্ধি দিয়া চুৰি তথা চুৰিৰ কাৰণে প্ৰচলিত মুঠ সা-সম্পত্তিৰ হানি সিন্ধি দিয়া চুৰি আৰু চুৰি বীমা পলিচিৰ অধীনত কভাৰ কৰিব পৰা যায়। মূল্যৱান বস্তু সকলো ক্ষতিশংকা পলিচিৰ অধীনত কভাৰ কৰিব পৰা যায় আৰু ঘৰ মালিক তথা দোকানীৰ বাবে পেকেজপলিচি আছে।

**প্ৰ: বীমা কৰা পৰিমাণ (চাম এচিয়ৰদ) কেনেকৈ নিৰ্ধাৰণ**

Bima Bemisaal

**কৰা হয়?**

**উ:** সাধাৰণতে, দুটা পদ্ধতি আছে। এটা হৈছে বজাৰ মূল্য (মাৰ্কেট ভেল্যু) আৰু অন্যটো হৈছে পুন:স্থাপনা মূল্য ৰিইনষ্টে টমেন্ট ভেল্যু। এম.ভি. ৰ ক্ষেত্ৰত হানি হ'লে মুঠ সা-সম্পত্তিক আয়ুসৰ ভিত্তিত শুল্ক অনুমোদন কৰা হয়। এই পদ্ধতিৰ অন্তৰ্গত বীমাকৃত ব্যক্তিক পৰিৱৰ্তিত ৰূপত নতুন সম্পত্তি ক্ৰয় কৰিবৰ বাবে পৰ্য্যাপ্ত পৰিমাণ দিয়া নহয়।

আৰআইভি পদ্ধতিত বীমা কো. ৰ দ্বাৰা পুন:স্থাপন মূল্য আদায় দিয়া হয় যাৰ সৰ্বোচ্চ সীমা পৰিমাণ থাকে। আৰআইভি পদ্ধতিত কোনো শুল্ক লগোৱা নহয়। এটা চৰ্ত এটা চৰ্ত হ'ল যে ক্ষতিগ্ৰস্ত সম্পত্তিখিনি এনেধৰণে মেৰামতি বা সলনি কৰিব লাগে যাতে ক্ষতিগ্ৰস্ত সম্পত্তিখিনিৰ দাবী পোৱা যায়। এইটো মনযোগ দিয়া উচিত যে আৰআইভি পদ্ধতি কেৱল নিৰ্ধাৰিত সম্পত্তিৰ বাবে অনুমোদন হয় ষ্ট ক্চ আৰু প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত ষ্ট ক্চৰ বাবে নহয়।

**প্ৰ: অগি বীমা পলিচিৰ ব্যয় কিমান হ'ব ?**

**উ:** অগি বীমা পলিচিৰ ব্যয় বা প্ৰিমিয়াম ইয়াৰ ওপৰত নিৰ্ভৰ হ'ব পাৰে

- কভাৰ কৰা ক্ষতিশংকা
- কভাৰ কৰা বস্তুৰ মূল্য
- বীমাৰ বাবে প্ৰস্তাৱিত তত্বৰ প্ৰয়োগ
- বীমাৰ বাবে প্ৰস্তাৱিত তত্বৰ অৱস্থানৰ বিৱৰণ



Bima Bemisaal

- ভৱনৰ নিৰ্মাণ আৰু দখল

অনা-জীৱন বীমা বিভাগৰ ডি-টেৰিফৰ পৰিণামস্বৰূপে (মটৰ তৃতীয় পক্ষ বীমা এৰি য'ত প্ৰিমিয়াম হাৰ আইআৰডিএৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়) প্ৰত্যেক বীমাকৰ্তাৰ দ্বাৰা লোৱা প্ৰিমিয়ামৰ হাৰ ভিন্ন হ'ব পাৰে। যি কি নহওঁক, তেওঁলোকে ফাইল এণ্ড ইউজপ্ৰক্ৰিয়াৰ অধীনত আইআৰডিএ ৰ ওচৰত দাখিল কৰা উচিত।

**প্ৰ: আৱাসৰ ওপৰত কাৰ্য্যালয় বা উদ্যোগত সম্পত্তি মূল্য কেনেকৈ উলিওৱা হয়?**

**উ:** আৱাসৰ বাহিৰে ঔদ্যোগিক ইউনিটচ বা কাৰ্য্যালয় সম্পত্তিৰ মূল্য দৰ্শোৱা বহীত হিচাব ৰাখিব, যাতে বীমা কৰা পৰিমাণৰ গণনাত কোনো সমস্যা নহয়। আৱাসৰ ক্ষেত্ৰত ব্যাপক বৰ্গৰ অধীনত সম্পত্তিৰ হিচাব ৰখা উচিত যেনে ফাৰ্নিচাৰ আৰু ফিক্সাৰ, পোছাক, বেড লিনেন, কিচেন আচবাব, ইলেক্ট্ৰনিক সৰঞ্জাম ইত্যাদি আৰু বীমা কৰা পৰিমাণ উলিয়াই লোৱা উচিত।

**প্ৰ: মই নিজৰ ভৱনৰ বীমা কিয় কৰোৱা উচিত? জুইৰ পৰা ভৱনৰ কোনো লোকচান হোৱাৰ সম্ভাৱনা নাথাকিব পাৰে?**

**উ:** জুই আৰু অন্য বিপদৰ পৰা (স্বাভাৱিকতে, অগি বীমা পলিচিৰ অধীনত কভাৰ) ভৱনৰ হানি / ক্ষতি হ'ব পাৰে।

জুইৰ পৰা এনে দুৰ্ঘটনা হৈছে য'ত বহুমহলা ভৱন সম্পূৰ্ণভাৱে নষ্ট হৈছে। বানপানীৰ পৰাও বিনাশকাৰী লোকচান হ'ব পাৰে। সেই ধৰণে দাঙ্গা-হাঙ্গামা, সন্ত্ৰাসবাদী কাৰ্য্যকলাপেও মানৱ জীৱন তথা সম্পত্তিৰ বৃহৎ লোকচান কৰিব পাৰে।

**প্ৰ: মই মধ্য অৱধিতে পলিচি বাতিল কৰিব পাৰো নেকি? মই প্ৰিমিয়াম ঘূৰাই পাম নে?**

উ: হয়।

**বীমাকৃত ব্যক্তিৰ আগ্ৰহত :** অলপ অৱধি ধাৰণ শক্তিৰ ওপৰত প্ৰিমিয়ামৰ সঞ্চয় আৰু বাকী থকা পৰিমাণ যদি আছে তেতিয়াহ'লে ঘূৰাই দিয়া হ'ব।

**বীমাকৰ্তাৰ বিকল্পত :** প্ৰিমিয়ামৰ অনুপাতিক পৰিশোধ দিয়া হ'ব।

**প্ৰ: হানিৰ ক্ষেত্ৰত, বীমাকৃত ব্যক্তিৰ বাধ্যবাধকতা কি?**

উ: প্ৰত্যেক বীমাকৃত ব্যক্তিয়ে এনে ধৰণৰ ব্যৱহাৰ কৰাটো বাঞ্চনীয় যেন তেওঁ বীমাকৰ্তা নহয়। হানি বা প্ৰতিৰোধ বাঢ়ি যোৱাৰ পৰা ৰক্ষা পাবলৈ সকলো সতৰ্কতা লওক। বীমা কোম্পানীক জনাওক যাতে লোকচান নিৰীক্ষণ কৰাৰ সুযোগ পায়। ফায়াৰ ব্ৰিগেডক জনাওক যি জুই নুমোৱাত সহায় কৰিব। জুই নুমোৱাৰ সময়ত পানীৰ বাবে অন্য বীমা কৰা সম্পত্তিৰ হোৱা লোকচানৰ আদায় বীমা কোম্পানীৰ



দ্বাৰা দিয়া হ'ব। পৰিদৰ্শকক নিৰীক্ষণ কৰাত আৰু হানিৰ মূল্যাঙ্কন কৰাত সহযোগ কৰক। যদি পৰিদৰ্শকৰ আগমনত বিলম্ব হোৱাৰ সম্ভাৱনা থাকে তেতিয়া ফটো তোলক / আৰু অপৰিবৰ্তিত সম্পত্তি সুৰক্ষিত স্থানত স্থানান্তৰিত কৰক। আপোনাৰ দাবীৰ সমৰ্থনত বীমাকৰ্তাৰ দ্বাৰা আৱশ্যক নথিপত্ৰ আৰু পূৰণ কৰা দাবী প্ৰপত্ৰ দিয়ক। মেৰামতি / বদলি কৰাৰ পিছত বীমাকৰ্তাৰ ওচৰত বিল জমা দিয়ক।

**প্ৰ: যদি মই উচ্চতৰ মূল্যত বীমা কৰাও তেতিয়া মই উচ্চতৰ দাবী পৰিমাণ পাম নেকি?**

উ: নহয়। যেতিয়া আপুনি অগি বীমা পলিচিৰ বাবে আৱেদন কৰে তেতিয়া সম্পত্তিৰ চলিত বজাৰ মূল্যৰ ওপৰত বা সম্পত্তিৰ পুন:স্থাপনা মূল্যৰ বীমা কৰা পৰিমাণৰ আধাৰত বীমা কৰা সঠিক পৰিমাণ পাবৰ বাবে সঠিককৈ গণনা কৰা উচিত। কভাৰ কৰা হানি বা লোকচানৰ বাবে দিয়া ক্ষতিপূৰণ সম্পত্তি অপৰ্য্যাপ্ত ভাৱে বীমা কৰা হৈছে নে নাই তাৰ ওপৰত আধাৰিত। যদি বীমা কৰা পৰিমাণ অত্যাধিক হয় তেতিয়া ইয়াৰ বাবে অনাৱশ্যক অধিক প্ৰিমিয়াম আদায় দিয়া হৈছে, যদি বীমা কৰা পৰিমাণ অপৰ্য্যাপ্ত হয় তেতিয়া আপুনি কেৱল বজাৰ মূল্যৰ অনুপাতত পৰিমাণ পাব।

**প্ৰ: অলঙ্কাৰ, গহনা আৰু কলাকাৰ্য্যৰ নিচিনা বস্তু সাধাৰণ অগি বীমা পলিচিৰ দ্বাৰা কভাৰ কৰিব পাৰিনে?**

উ: যেতিয়ালৈকে বীমাকৰ্তাৰ দ্বাৰা পূৰ্ব সম্মতি দিয়া নহয় তেতিয়ালৈকে সাধাৰণ অগি বীমা পলিচি অলঙ্কাৰ, গহনা, কলাকাৰ্য্য, স্ক্রিপ্‌চ, নথিপত্র জাননী, কম্পিউটাৰ জাননী, শ্বেয়াৰ্চ আৰু ষ্ট ক্‌চ, নগদ ধনৰ নিচিনা বস্তু কভাৰ নকৰে। এই বিলাক বিশেষ নিবেদনত কভাৰ কৰিব পৰা যায়যদিহে ইয়াৰ আৱশ্যক মূল্যাঙ্কন হয়।

**প্ৰ: মই নিজৰ ভৱনটো কভাৰ কৰাৰ বীমা পলিচি লৈছো। মোৰ ব্যৱসায়ৰ বিত্ত পোষণ (ফাইনেন্স) কৰা বেঙ্কেও পৃথককৈ বীমা লৈছে। একেই সম্পত্তি কভাৰ কৰা দুয়োটা পলিচি প্ৰযোজ্য হয়। দাবীৰ স্থিতিত কি হয়?**

উ: দাবীৰ স্থিতিত প্ৰত্যেক বীমাকৰ্তাই তেওঁৰ সম্বন্ধীয় পলিচিৰ অধীনত বীমা কৰা পৰিমাণৰ অনুপাতত হানিৰ পৰিমাণ আদায় কৰিব, যি বৰঙনিৰ সিদ্ধান্ত সাপেক্ষে৷ ক্ষতিপূৰণৰ সিদ্ধান্তৰ উদ্দেশ্য হৈছে বীমাকৃত ব্যক্তিক সেই স্থিতিত ৰখা য'ত তেওঁ ঘটনা হোৱাৰ পূৰ্বে আছিল। বীমাকৃত ব্যক্তিক প্ৰত্যেক পলিচিৰে অধীনত হানিৰ সম্পূৰ্ণ পৰিমাণৰ বাবে দাবী কৰাত বাধা দিয়া হয়। বীমা কোম্পানীয়ে বীমকৃত ব্যক্তিক কেৱল বাস্তৱিক হানিৰ সীমা পৰ্যন্ত ক্ষতিপূৰণ দিয়ে যি মূল্যৰ অৱনতি, পলিচি আধিক্য ইত্যাদিৰ অধীন হয় আৰু হানিত লাভ পোৱাৰ অনুমতি নিদিয়ে।

**প্ৰ: চে'লভেজ(বচোৱা)ৰ প্ৰাসঙ্গিকতা কি?**

উ: বিভিন্ন প্ৰকাৰৰ বীমা পলিচিৰ অন্তৰ্গত দাবীৰ ক্ষেত্ৰত



আংশিক ক্ষতিগ্ৰস্ত বস্তু বা গাড়ী বা কোনো মেছিনেৰী বা কোনো অন্য সম্পত্তিৰ মুঠ হানিৰ আধাৰত মীমাংসা কৰা হয় আৰু তাক 'চে'লভেজ' বুলি কয়। সম্পূৰ্ণ পৰিমাণৰ বাবে দাবীৰ মীমাংসা হোৱাৰ পিছত চে'লভেজবীমা কোম্পানীৰ সম্পত্তি তৈয়াৰ হয়। সাধাৰণতে চে'লভেজমীমাংসা কৰা কাৰ্য্য বীমা কোম্পানীৰ পৰিদৰ্শকক গতাই দিয়ে যি হানিৰ নিৰ্দ্ধাৰণ কৰিছিল যিটো চেলভেজ মীমাংসা প্ৰক্ৰিয়াৰ নিৰীক্ষণৰ অধীন। চেলভেজ মীমাংসাৰ জড়িয়তে প্ৰাপ্ত পৰিমাণ বীমাকৰ্তাই নিজৰ দ্বাৰা আদায় দিয়া হানিৰ মীমাংসা কৰিব।

**প্ৰ: মই নিজৰ বস্তু যাত্ৰা ক্ষতিশংকাৰ বিপৰীতে কভাৰ কৰিব বিচাৰোঁ। মই কোনটো পলিচি লওঁ?**

উ: মেৰিন কাৰ্গো পলিচি যাত্ৰা ক্ষতিশংকাৰ বিপৰীতে বস্তুৰ বাবে কভাৰ দিয়ে। উদাহৰণৰ বাবে যদি আপুনি নিজৰ ঘৰৰ সামগ্ৰী এঠাইৰ পৰা আন ঠাইলৈ লৈ গৈছে তেতিয়া আপুনি এইটো পলিচি ল'ব পাৰে। আপুনি 'বেচিক কভাৰ' বা 'সকলো ক্ষতিশংকা'ৰ বিকল্প বাচি ল'ব পাৰে। অনুগ্ৰহ কৰি পলিচিৰ নিয়ম আৰু চৰ্ত পঢ়ি বুজক যে আপুনি কি ক্ৰয় কৰিছে।

**প্ৰ: মেৰিন কাৰ্গো বীমাৰ ব্যৱস্থা কোনে কৰিব লাগে ক্ৰেতা নে বিক্ৰেতাই? বা দুয়োৰে সুৰক্ষাৰ প্ৰয়োজন নেকি?**

**উ:** এইটো দুয়োৰে মাজত হোৱা বিক্ৰী চুক্তিৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰত্যেক বিক্ৰী যেনে ফ্ৰি অন বোৰ্ড (এফ ও বি), কষ্ট এণ্ড ফ্ৰেইট (চি এণ্ড এফ), কষ্ট ইঞ্চিওৰেন্স আৰু ফ্ৰেইট (চিআইএফ) ইত্যাদিৰ বাবে বীমাৰ ব্যৱস্থা কৰাৰ দায়িত্ব বেলেগ বেলেগ হয়।

**প্ৰ: মই মোৰ অলঙ্কাৰ কভাৰ কৰাৰ প্ৰয়োজন। মই কোনটো পলিচি লোৱা উচিত?**

**উ:** বীমাকৰ্তাই অলঙ্কাৰ কভাৰ কৰাৰ বাবে সকলো ক্ষতিশংকা পলিচি দিয়ে। আপুনি অৱশ্যেই সুনিশ্চিত হোৱা উচিত যে আপোনাৰ অলঙ্কাৰৰ মূল্যাঙ্কন সঠিককৈ কৰা হৈছে আৰু আপুনি দাবী হোৱাৰ পিছত মূল্যাঙ্কনৰ প্ৰমাণ দেখুৱাত সক্ষম হয়। সকলো ক্ষতিশংকা পলিচিত বৰ্জনো থাকে, সেইবাবে নিয়ম আৰু চৰ্ত মনোযোগেৰে পঢ়ি লওক।

**প্ৰ: যেতিয়া মই দূৰৈত থাকো তেতিয়া মোৰ ঘৰৰ বস্তু সিন্ধি দিয়া চুৰিৰ বিপৰীতে কভাৰ কৰিব বিচাৰো। মই সিন্ধি দিয়া চুৰি বীমা পলিচি পাব পাৰোনে?**

**উ:** সিন্ধি দিয়া চুৰি বীমা পলিচিয়ে সিন্ধি দিয়া চুৰিৰ ক্ষতিশংকাৰ বিপৰীতে কভাৰ কৰে। সিন্ধি দিয়া চুৰি বীমা পলিচিয়ে চুৰিৰ বিপৰীতে বিস্তাৰিত কভাৰো প্ৰদান কৰিব পাৰে। যদি আপুনি এক নিশ্চিত বৰ্ণিত অৱধিৰ ভিতৰত নাই তেতিয়া সিন্ধি দিয়া চুৰি বীমা পলিচি সাধাৰণতে সমাপ্ত হৈ যাব যেতিয়ালৈকে



আপুনি বীমা কোম্পানীক নজনায় আৰু তেওঁলোকে ঘৰত আপুনি নোহোৱাতো কভাৰ বিস্তাৰিত কৰিবৰ বাবে সন্মত হয়। এইটো সুনিশ্চিত কৰাৰ বিচাৰ উত্তম কাৰণ আপোনাৰ ওপৰত দূৰৈত থকা স্বত্বেও একমাত্ৰ পলিচিৰ বাবে সদায় সিন্ধি দিয়া চুৰি পলিচি আছে। যদি আপুনি ঘৰত তলা বন্ধ থকাতো বস্তু বীমা কৰিব বিচাৰে তেতিয়া হয়তো আপুনি পলিচি নেপাব পাৰে।

## আইআৰডিএ ৰ দ্বাৰা দাখিল পলিচিধাৰক চাৰ্ভিচিং টাৰ্নএৰাউণ্ড টাইম্চ

| সেৱা | সৰ্বোচ্চ টাৰ্নএৰাউণ্ড টাইম |
|---|---|
| **সাধাৰণ** | |
| প্ৰস্তাৱৰ প্ৰক্ৰিয়া আৰু সিদ্ধান্তৰ জাননী দিয়া য'ত অন্তৰ্ভুক্ত হয় আৱশ্যকতাসমূহ / পলিচি চেনেল / বাতিলকৰণ | 15 দিন |
| প্ৰস্তাৱৰ প্ৰতিলিপি প্ৰাপ্ত হোৱা | 30 দিন |
| পলিচি প্ৰচাৰিত কৰাৰ পিছত সেৱাৰ নিবেদন যি ত্ৰুটিসমূহ / প্ৰস্তাৱ ডিপ'জিটৰ ঘূৰোৱা আৰু অনা-দাবী সম্বন্ধীয় সেৱা নিবেদনৰ লগত সম্পৰ্ক আছে | 10 দিন |
| **জীৱন বীমা** | |
| সমৰ্পণ মূল্য / বছৰেকীয়া বানচ / পেঞ্চন প্ৰক্ৰিয়া | 10 দিন |
| পৰিপক্বতা দাবী / জীৱিতত লাভ / দণ্ড স্বৰূপ সুতত আদায় নিদিয়া | 15 দিন |
| দাবী দাখিল কৰাৰ পিছত দাবীৰ আৱশ্যকতাসমূহ জনোৱা | 15 দিন |
| পৰীক্ষাৰ আৱশ্যকতাৰ অবিহনে মৃত্যু দাবী মীমাংসা কৰা | 30 দিন |
| পৰীক্ষাৰ আৱশ্যকতাৰ সৈতে মৃত্যু দাবীৰ মীমাংসা / প্ৰত্যাখ্যান | 6 মাহ |
| **সাধাৰণ বীমা** | |
| নিৰীক্ষণৰ প্ৰতিবেদন জমা কৰা | 30 দিন |
| বীমাকৰ্তাৰ দ্বাৰা উপৰুৱা ভাগৰ প্ৰতিবেদন খোজা | 15 দিন |
| প্ৰথম / উপৰুৱা ভাগৰ নিৰীক্ষণ প্ৰতিবেদন পোৱাৰ পিছত দাবীৰ মীমাংসা / নাকচ | 30 দিন |
| **অভিযোগ** | |
| অভিযোগ পঞ্জীয়ন কৰা | 3 দিন |
| অভিযোগৰ মীমাংসা | 15 দিন |



## 5. যদি আপোনাৰ কোনো অভিযোগ আছে :

বীমা নিয়ামক আৰু বিকাশ প্ৰাধিকাৰী (আইআৰডিএ) ৰ উপভোক্তা বিষয় বিভাগে ইন্টিগ্ৰেটেড গ্ৰীভেঞ্চ মেনেজমেন্ট চিষ্টেম (আইজিএমএচ) আৰম্ভ কৰিছে যি অভিযোগৰ পঞ্জীয়ন তথা নিৰীক্ষণৰ বাবে এক অনলাইন পদ্ধতি। আপুনি সৰ্বপ্ৰথমে আপোনাৰ বীমা কোম্পানীত অভিযোগ পঞ্জীয়ন কৰা উচিত আৰু যদি আপুনি কোম্পানীৰ দ্বাৰা ইয়াৰ মীমাংসাত সন্তুষ্ট নহয় তেতিয়া আপুনি www.igms.irda.gov.in ত গৈ আইজিএমএচ ৰ জড়িয়তে ইয়াক আইআৰডিএ ৰ ওচৰত পঠিয়াব পাৰে। যদি আপুনি বীমাকৰ্তাৰ অভিযোগ প্ৰক্ৰিয়ালৈকে পোনপটীয়াকৈ যাব নোৱাৰে তেন্তে আইজিএমএচ বীমাকৰ্তাৰ ওচৰত আপোনাৰ অভিযোগ পঞ্জীয়ন কৰাবলৈ আপোনাক এটা পথ প্ৰদান কৰা হয়।

আইজিএমএচ (উদাহৰণ স্বৰূপে ৱেব) ৰ জড়িয়তে আপোনাৰ অভিযোগ পঞ্জীয়ন কৰাৰ উপৰিও আপোনাৰ ওচৰত অভিযোগ পঞ্জীকৰণৰ বাবে বহুতো মাধ্যম (জড়িয়তে) আছে। ইমেইল (complaints@irda.gov.in ) ৰ জড়িয়তে, পত্ৰ (আপোনাৰ পত্ৰ গ্ৰাহক বিষয় বিভাগ, বীমা নিয়ামক আৰু বিকাশ প্ৰাধিকাৰী, 3য় মহলা, পৰিশ্ৰম ভৱন, বশীৰ বাগ, হায়দৰাবাদ বুলি সম্বোধন কৰক) ৰ জড়িয়তে বা আইআৰডিএ কল চেন্টাৰক **ট'ল ফ্ৰি নং 155255** ত ফোন কৰক যাৰ জড়িয়তে আইআৰডিএ বীমা কোম্পানীসমূহৰ বিপক্ষে আপোনাৰ অভিযোগ বিনামূল্যে দাখিল কৰিব আৰু লগতে তাৰ স্থিতিৰ ওপৰত দৃষ্টি ৰখাত সহায় কৰিব। ফোনৰ আধাৰত অভিযোগ প্ৰপএ পূৰাই কল চেন্টাৰে আপোনাক সহায় কৰে তথা য'তেই

আৱশ্যক হয় এইটো পোনেপোনে বীমা কোম্পানীৰ ওচৰত অভিযোগ দাখিল কৰাত সহায়ক হয়। বীমা কোম্পানীৰ ঠিকণা, ফোন নম্বৰ, ৱেবচাইট বিৱৰণ, যোগাযোগ নম্বৰ, ইমেইল আইডি ইত্যাদিৰ সৈতে সমন্ধীয় জাননী আপোনাক দিয়া হয়। আইআৰডিএ কল চেন্টাৰ সম্ভাৱ্য গ্ৰাহক আৰু পলিচিধাৰকৰ বাবে ব্যাপক টেলি-কাৰ্য্যক্ষমতাৰ সৈতে এক প্ৰকৃত বৈকল্পিক মাধ্যম (চেনেল) প্ৰদান কৰা হয় আৰু সোমবাৰৰ পৰা শনিবাৰ, পুৱা 8 টাৰ পৰা নিশা 8 টালৈ 12 ঘন্টা x 6 দিনলৈকে হিন্দী, ইংৰাজী আৰু বিভিন্ন ভাৰতীয় ভাষাত কাৰ্য্যকৰী হৈ থাকে। যেতিয়া আইআৰডিএ ৰ ওচৰত কোনো অভিযোগ পঞ্জীয়ন কৰা হয় তেতিয়া ই সেই বীমা কোম্পানীত সুচল কৰি সমাধান কৰায়। কোম্পানীক অভিযোগৰ মীমাংসা কৰাৰ বাবে 15 দিন দিয়া হয়। যদি আৱশ্যক হয়, আইআৰডিএ পৰীক্ষা অনুসন্ধান আৰু সোধপোছ কৰে। ইয়াৰ বাহিৰে য'ত প্ৰযোজ্য হয়, আইআৰডিএ ৰিড্ৰেছেল অৱ পাব্লিক গ্ৰীভেঞ্চ ৰুল্‌চ, 1998 ৰ চৰ্ত অনুসৰি ইঞ্চিওৰেন্স অম্বাড্চমেনক সম্পৰ্ক কৰাৰ পৰামৰ্শ অভিযোগকাৰীক দিয়া হয়।



**দাবী পৰিত্যাগ :**

এই হাতপুথি কেৱল আপোনাক সাধাৰণ জাননী প্ৰদান কৰাৰ বাবে আৰু সম্পূৰ্ণ নহয়। ই এক শিক্ষা উপক্ৰম তথা আপোনাক কোনো আইনগত পৰামৰ্শ নিদিয়ে।